১ম গোপী। আৰু তো নেমেলোঁ চকু
প্ৰভু মোৰ আছে হিয়াৰ মাজত
চাৰু চতুৰ্ভুৰ্জ দেখোঁ।

২য় গোপী। শ্যাম মূৰতি পঙ্কজ লোচন
কিবা সুশোভন তনু
মূৰত শোভিছে কিৰীটি সুবেশ
ভ্ৰূব মদনৰ ধেনু।

৩য় গোপী। চাৰু চতুভুৰ্জ শঙ্খ-চক্ৰ-গদা
লৈ পদুমৰ পাহি
বিশাল বুকত শ্ৰীবৎস লাঞ্ছন
মুখে মনোহৰ হাঁহি।

৪ৰ্থ গোপী। গলে বনমালা কণ্ঠত কৌস্তভ
দন্ত মুকুতাৰ পান্তি
সিংহ সম সৰু সুন্দৰ কঁকাল
শত চন্দ্ৰমাৰ কান্তি।

৫ম গোপী। চাৰু পীতবাস চৰণ পঙ্কজে
ৰত্নৰ নুপূৰ বাজে
কি সুন্দৰ নখ-চন্দ্ৰে লাজ পায়
কিবা শোভে চাৰু সাজে।

শ্ৰীকৃষ্ণ। সখী, চকু মেলি চোৱা যদি দেখা পাবা
ব্ৰজৰ-সুন্দৰ গছ লতা ঘাঁহ বন
আকাশ প্ৰান্তৰ সুবিমল প্ৰবাহিনী
সুন্দৰী যমুনা সকলো শ্যামলৰূপী।
শ্যাম আভা য'তে দেখা, ততে আছোঁ মই

লই যাওঁ ঘৰলৈ। পৰম আদৰে আজি
ৰত্ন বেদী পাতি বহুৱাই ওচৰত
পূজিম অতিথিৰূপে। নিদিওঁ যাবলৈ
কংসৰাইৰ যুঁজৰ খোলালৈ আজি।

কৃষ্ণ। ধন্যবাদ বহু ধন্যবাদ সখী সব।
কি ৰূপেনো নিবা ঘৰলৈ ? পুৰনাৰী
তোমালোক। অচিনাকি দেখি অনাদৰি
খেদি দিব মাৰি ঘৰৰ গৰাকী লোকে।
ব্ৰজনাৰী অন্তু অতি সৰলা প্ৰকৃতি
সমস্ত শৰীৰ মৰম চেনেহে ভৰা
কামনা বিহীনা মৰতত নাই এনে আৰু।

বলোৰাম। আমি যে আহিছোঁ কংসৰাজ অতিথি
স্বৰূপে। আমি আজি ৰাজ সভালৈ
যাবই লাগিব। সেই দেখি নাৰীবৃন্দ
আশীৰ্ব্বাদি দিয়া বাট এৰি যাওঁ গৈ
গন্তব্য ঠাইলৈ।

( ফুললৈ সখীৰ প্ৰবেশ )

( সকলোৱে হাতত ধৰা ধৰি কৰি গান গাই গাই ঘুৰি ঘুৰি মুৰত পুষ্পবৃষ্টি কৰে )

## গীত

( আজি )	আহিলা যেতিয়া মোহন আলহী
মধুৰ মাধুৰী বিলাই—
সুৱলা মাতেৰে মাতি
সুখৰ সপোন পাতি
প্ৰেম জুই প্ৰাণত বিলাই

বীণাব মধুব তান প্ৰেমৰ অমিয় গান
হিয়া আজি হ্ৰষে মগন
বাজ আশীৰ্ব্বাদ মাগি পুলকে পুৰিত আজি
বন্দো আহা বজাব চৰণ।

কংস। মন্ত্ৰী, অতি সুললিত সুমঙ্গল গীত
বৰ প্ৰীত হলোঁ মই। যোগ্য পুৰস্কাৰ
পাব লাগে গায়ন বায়ন সকলোৰে।

( চাৰণৰ প্ৰবেশ )

চাৰণ। প্ৰভূৰ চাৰণ মই আজ্ঞা হলে গাম
স্তুতি গীত।

কংস। গোৱাঁ বাৰু।

চাৰণ। —বন্দনা—
জয় প্ৰভু মহাৰাজ ৰাজ ৰাজেশ্বৰ
কংসৰাজ। প্ৰবল প্ৰতাপে যাৰ সদা
থলকে ধৰণী আৰু থলকে সাগৰ,
যাৰ ৰূপ দেখি কামদেৱ অন্তৰ্হিত,
যাৰ বাহুবল দেৱে নোৱাৰে সহিব
ৰাক্ষস পন্নগ গন্ধৰ্ব্ব কিন্নৰ বশ
দেখি পৰাক্ৰম। যাৰ ধনুৰ্ব্বাণ খড়্গ
শিক্ষা দেখি আছোক মনুষ্য দেৱগণো
সদা ভীত। যাৰ ৰাজকাৰ্য্য কুশলতা
ৰাজনীতি যত বজা গনে সততে বখানে।
প্ৰজাগণে যাৰ সততে সুযশ গায়
পুৰনাৰীগণো যাৰ ৰূপে-গুণে মুগ্ধ।
হীন মতি মই নমো প্ৰভু চৰণযুগল।

ধেপ ধেপ খোজ কাঢ় মঙ্গহ ভৰত।
পথাৰতে তোক মাৰি এৰা হলে আজি,
পৰম সাদৰে হেজাৰ শিয়ালে তোক
ভোজ পাতি খাই হোৱা ভাল হোৱা বুলি
শলাগিলে হয়।

চানুৰ। পাপীষ্ঠ গোৱাল তোকহে শিয়ালে খাব।
আহচোন বাৰু লাগো আমি দুয়ো যুঁজ
কঁকালে কঁকালে

[ চানুৰে শ্ৰীকৃষ্ণৰ কঁকালত ধৰে শ্ৰীকৃষ্ণই তাৰ তপিনাত থপৰিয়াই আঁতৰে ]

কৃষ্ণ। তিৰোতাৰ দৰে কোমল নিতম্ব তোৰ,
দাৰি গোঁফ নথকাহেতেন প্ৰিয়তমে
বুলি মাতিলোঁহেঁতেন।

[ এই বাৰ কিছুপৰ যুঁজি যুঁজি চানুৰ তলত পৰে কৃষ্ণই ওপৰত উঠি বহে ]

কেনে লাগে হেৰ ককাই মহা মাল,
ঘিউ মউ কেনি গ'ল ? অন্তিম সময়
উপস্থিত, মাত গোবিন্দক।

( চানুৰৰ টেঁটুত চেপি ধৰে চানুৰ মৰে )

বলা দাদা আগুৱাই, সৌৱা ৰাজসভা
সম্মুখত বিস্তৃত প্ৰাঙ্গণ। তাতে পাম
আন আন মাল লগ।

[ দুয়োৰো প্ৰস্থান ]

[ কেইটামান চাওডাঙ্গৰ প্রবেশ ]

১ম চাও। কটা, কৈছিল বোলে সেই কলা লৰাটো
আৰু বগা লৰাটো মৰিব তাকে তুলি নি
পুতিব লাগিব। এতিয়া দেখোন চানুৰ
ককাইহে দাঁত মুখ নিকটাই একেবাৰে
ঢেল ওপঙ্গাই দিলে।

২য় চাও। হেৰৌ কটা কিদৰে চকু দুটাৰে চাই আছে
এইটো মৰা নাই ঔ এই টোক ভূতেহে
ধৰিলে হবলা।

৩য় চাও। ইস্ মৰা নাই। একেবাৰে এটা এনেহে লেং
মাৰিলে বোপাই চানুৰ মাল গিৰিশ কৰে
মাটিত পৰিল আৰু উঠিবই নোৱাৰিলে।

১ম চাও। এই দুটা জানিছ ৰাক্ষহ কি দানৱ হে।
দেখাত হলে মানুহ যেনেই দেখি। কিন্তু
কি হব কলে ; কিবা মায়া জানে ঔ
বোপাই কিবা মায়া জানে। ধৰ ধৰ
এতিয়া ইয়াক লৈ গৈ সৌ
চোতালৰ কাষত কাপোৰেৰে ঢাকি
থওঁ গৈ। [ তাৰ ঠেঙ্গত ধৰি ডাঙ্গিব খোজে ]
উঃ কটা কি গধুৰ ঔ
ডাঙ্গিবই নোৱাৰি দেখোন। ৰজা ঘৰৰ
পঞ্চামৃত চৰিয়াই চৰিয়াই খাই এইটোৰ
গা একেবাৰে গোট মাৰিছে। সেই দেখিহে
ইমান গধুৰ।

২য় চাও। হেৰৌ কাণে কাণে এটা কথা কওঁ শুন।

১ম চাও। কি কথা কচোন বাৰু শুনো।

[ ২য় চাওডাঙ্গে কাণে কাণে কিবা কয় ]

[ দুয়ো হাঁহি হাঁহি বাগৰি পৰে ]

১ম চাও। কটা তইনো ইমান কথা কেনেকৈ জানিলি ?

[ আকৌ হাঁহি হাঁহি বাগৰি পৰে ]

৩য় চাও। হেৰৌ কটাহঁত, সোৰা মহাৰাজে
তহঁতৰ উড়াওালিখন চাই হে আছে।
ৰ, একেবাৰে কচু কটাদি কাটিব

[ এটায়ে "ধৰ ঐ ধৰ" কৰি ডাঙ্গি নিয়ে ]

## পট পৰিবৰ্ত্তন

# চতুৰ্থ দৃশ্য

ৰণ প্ৰাঙ্গণ।

মুষ্টিকৰ প্ৰবেশ।

মুষ্টিক। পৰিল চানুৰ ; এইবাৰ মোৰ পাল।
বৰ শক্তিশালী দেখো এই দুই মাল।
দুয়েকো বধিম ছলে নোৱাৰিলে বলে।

( কৃষ্ণ বলোৰামৰ প্ৰবেশ )

শ্যাম, তুমি মাৰিলা চানুৰ, শ্বেত, তুমি
যুঁজা মোৰ সনে বাৰু।

বলো। কোন তুমি ? কিবা নাম ? মই বলোৰাম।
আহা তেন্তে, সাজু হৈ আছোঁ মই।

( চাওডাঙ্গহঁতৰ প্ৰবেশ )

১ম চাও। আহ হঁক ঐ এই এটা মৰিল ঐ, ধৰ হঁক ঐ।

২য় চাও। ইঃ, ই একেবাৰে মৰিল ঐ ককাই।

৩য় চাও। একেবাৰে নমৰিনো নাহে নাহে জী জী মৰে নেকি গাধ।

২য় চাও। মৰেতো। এধা মৰা পোৰা মৰাও হয়। তিনিপোৰা মৰাও হয় ঢেল ওপঙ্গাও দিয়ে। নমৰিও মৰে। জীয়াই থাকোতেওঁ কানে চুলিত ধৰে, কটা গৰু একো নেজান তই।

১ম চাও। থ থ তোৰ শাস্ত্ৰথন। জীয়া মৰিছে, এতিয়া মৰাটো মাটিৰ তলত থব পৰিলেই হয়।

২য় চাও। হেৰ ককাই মাটিৰ তলত কেলেই পোতে অ'।

১ম চাও। কেলেই পোতে! তাত লব চৰ কাটি কুটা নোহোৱাকৈ থাকে আৰু ওলাই নাহে।

২য় চাও। ভালেই হল বোপাই। এই মুষ্টিক টোলৈ চা চোন কি দৰে দাঁত মূৰ কামুৰি ঢেলওপঙ্গা দি আছে। সি যদি উঠি আহি নিশা মোৰ মানিকিৰ মাকৰ আগত ওলায়হি—ঐ মৰিলোঁ ঐ মৰিলোঁ ঐ, সেইটোক নেচাওঁ ঐ।

১ম চাও। ধৰ কটা গৰু ধৰ। মৰামানুহ আকৌ মাটি ফুটাই ওলাই আহে!

২য় চাও। ককাই উঠি আহিলেনো বাৰু তই কি কৰিবি কচোন! কচোন!

১ম চাও। উঠি লৰ মাৰি ৰজাক খবৰ দিম গৈ।

২য় চাও। ইফালে ঘৈনীয়েৰৰ কি হব?

১ম চাও। জানো কি হয়।

২য় চাওঁ। অ' তোৰ বুধিটো বৰ ভাল নেপালোঁ বোপাই।

( হাঁহে )

শ্রীদাম। ক'তা সদায় আছা ? আজি এতে দিন থকা নাই দেখোন।

শ্রীকৃষ্ণ। তোমালোকৰ লগে লগেই আছিলোঁ ভাই, অলপ পৰ ঠিয় দি চকু মুদি থাকিলেই মোক বুকুৰ মাজত দেখা পাবা ভাই। তাতে থাকি মই কথা ক'ম, হাঁহিম, খেলিম।

বসুদাম। ইঃ আমাক নেলাগে। আমি এই দৰে গাটো পিহিম, সাৰট মাৰি ধৰিম, তুমি এইদৰে চুমা খাবা। তুমি বাঁহী বজাবা আমি নাচিম, তুমিও নাচিবা। এনেকৈ হে সদায় লাগে।

শ্রীকৃষ্ণ। সদায় পাবা মইনা সদায় পাবা। পিছে ইমান লৰি ধৰি আহিছা কি খাবাহঁক ?

গোপবালকবিলাক। আমি পুৰি খাম, মাখন খাম, দৈ খাম, মিঠাই খাম। বৰ ভোক লাগিছেহেঁ। খুৱাবানে সচাই ?

শ্রীকৃষ্ণ। খুৱামতো সকলো খুৱাম। পিছে ব্রজৰ নিচিনা গোপিনীৰ হাতেৰে খিৰোৱা, আমাৰ গৰুৰ গাখীৰেৰে তৈয়াৰ কৰা, ক্ষীৰ লাড়ু সন্দেশ ননী ছানা জগতত নাই। ভাই তাত প্রেমৰস সনা আছে এইখন নগৰ ইয়াত তেনে ক'ত পাবা ?

সুদাম। তুমি ছুই দিবা তেন্তে সকলো অমৃতময় হব, আমি খুব খাম।

কৃষ্ণ। হেৰ কোন আছ : খাবলৈ ভাল ভাল সন্দেশ পুৰি মিঠাই ইত্যাদি সজাই ঘৰৰ ভিতৰত দেগৈ। আহাঁ ভাই ভিতৰলই যাওঁ। [ সকলোৰে প্রস্থান ]

## [ পট পৰিবৰ্ত্তন ]

[ সকলোৰে ঘৰৰ ভিতৰত বহে। তাত সুন্দৰকৈ পুৰি মিঠাই সজোৱা আছে তাত বহি ৰং কৰি কৰি খায় ]

বসুদাম। ইয়ো আমাৰ ক্ষীৰ ছানা যেনে মিঠা তেনে মিঠা। তুমি দিছা দেখি আৰু সোৱাদ লাগিল। নহয় নে বাৰু শ্রীদাম ?

—গীত—

কপালি যমুনা জল
বৈ যায় সুবিমল
পিউ পিউ পাপীয়াব
কেতেকীব সুধাধাব
মধুময় বসন্তব
প্রেমে প্রাণ জব জব
তোমাব পবশ লাগি
লোৱা প্রেম উপহব

জোনাকত জল মল
কপালি বহনে হাঁহি,
কুঁহু কুঁহু কোকিলাব
বতাহত আহে ভঁাহি,
সুখ শোভা মনোহব
আহা প্রিয় বসময়,
যৌৱন উঠিছে জাগি।
দেহ প্রাণ সমুদয়।

১মা গোঃ। প্রভু, স্বামী, প্রাণৰ বান্ধৱ, কত দিন অদৰ্শন বিৰহে কাতৰা হৈ আমি মৃত প্রায় আছিলোঁ ইয়াতে পৰি পৰি, আজি আহি দেখা দি মাধব গুচুৱালা মনস্তাপ। কিন্তু প্রভু ৰজা তুমি এৰে মথুৰাৰ স্বামী। নিতান্ত দুখুনী আমি গোৱাল জীয়ৰী। যাবা তুমি মথুৰালৈ ফিৰি। জীম কেনেকৈ আমি দিয়া সমিধান।

কৃষ্ণ। সখীহঁত, ভকতৰ হাকুলি বিকুলি নোৱাৰোঁ সহিব কদাচিতো। সেই দেখি আহিলোঁ ইয়ালৈ আজি। কৃষ্ণময় প্রাণ তোমালোক। কৃষ্ণ বিনে নাজানিলা একো; পতি, পুত্র, পিতা ভাই স্বৰূপে যতেক বিধ, একাধাৰে সকলোৰে সমষ্টি প্রেমেৰে পৰিপূর্ণ হিয়াখনি প্রত্যেক

